**কেৰালা ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু অন্য**

**বনাম**

**ৱালচালা কে. আৰু অন্য ইত্যাদি**

**১৬ ছেপ্টেম্বৰ, ১৯৯৯**

**[মুখ্য ন্যায়াধীশ ড° এ.এচ. আনন্দ, ন্যায়াধীশ এচ. ৰাজেন্দ্ৰ বাবু আৰু ন্যায়াধীশ আৰ.চি. লাহতী]**

*শ্ৰম আইন :*

*শ্ৰমিকৰ ক্ষতিপূৰণ আইন, ১৯২৩:*

*ধাৰা ৪ আৰু ৪এ – ১৯৯৫-ৰ আইন ৩০-ৰ সংশোধন – ১৫.৯.১৯৯৫ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ক্ষতিপূৰণ আৰু সুতৰ হাৰৰ পৰিমাণ বৃদ্ধি – ১৫.৯.১৯৯৫ তাৰিখতকৈ আগতে সংঘটিত হোৱা দুৰ্ঘটনাসমূহৰ পৰা উদ্ভৱ হোৱা গোচৰসমূহত সংশোধনীৰ প্ৰযোজ্যতা – ৰায় দিয়া হয় যে ক্ষতিপূৰণৰ হাৰ নিৰ্ণয়ৰ বাবে প্ৰাসংগিক তাৰিখটো হৈছে দুৰ্ঘটনাৰ তাৰিখটো, দাবীৰ বিচাৰৰ তাৰিখটো নহয় – কিন্তু বৰ্তমানৰ বিষয়সমূহত, গোচৰবোৰৰ বিশেষ তথ্য আৰু পৰিস্থিতিসমূহ, জড়িত থকা ৰাশিসমূহৰ ক্ষুদ্ৰতা, আৰু ইতিমধ্যে পাৰ হৈ যোৱা সময়ৰ প্ৰতি লক্ষ্য ৰাখি ১৯৯৫-ৰ সংশোধনীৰ ভিত্তিত প্ৰদান কৰা বিতৰ্কিত আদেশটো হস্তক্ষেপ কৰিব নালাগে।*

*প্ৰতাপ নাৰায়ণ সিং দেও* **বনাম** *শ্ৰীনিৱাস চাবাটা আৰু অন্য,* **[১৯৭৬]১ এচ.চি.চি. ২৮৯-ক ভিত্তি হিচাপে গ্ৰহণ কৰা হৈছে।**

*য়ুনাইটেড ইণ্ডিয়া ইঞ্চ্যুৰেঞ্চ কো. লিমিটেড* **বনাম** *আলাৰি,* **(১৯৯৮) ১ কে.এল.টি. ৯৫১ অনুমোদিত হৈছে।**

দেৱানী আপীলীয় অধিকাৰক্ষেত্ৰ : ১৯৯৭-ৰ বিশেষ অনুমতি আবেদন (দেৱানী) সংখ্যা ২১৬১৩ ইত্যাদি।

১৯৯৭-ৰ এম.এফ.এ. সংখ্যা ৫৭০-ত কেৰালা উচ্চ ন্যায়ালায়ৰ ৯.৯.৯৭ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

হাজিৰ হোৱা পক্ষসমূহৰ হৈ পি. কৃষ্ণমূৰ্থী, টি.জি.এন. নায়াৰ, ৰমী চ্চাকো, মিছ ভি. মোহানা, ৰমেশ বাবু এম.আৰ., মিছ মালিনী পডুৱাল, মিছ কে. সাৰদা দেৱী, বি. ভি. দীপক, কে.এম.কে. নায়াৰ. এচ.কে. পল, সলিল পল, আৰু মিছ ইন্দিৰা সাহানী।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল :

এই বিশেষ অনুমতি আবেদনকেইখনৰ লগত জড়িত থকা স্পষ্ট প্ৰশ্নটো হৈছে যে ১৯৯৫-ৰ আইন সংখ্যা ৩০-ৰ জৰিয়তে ১৫.৯.১৯৯৫ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ শ্ৰমিকৰ ক্ষতিপূৰণ আইন, ১৯২৩-ৰ ধাৰা ৪ আৰু ৪এ-ৰ সংশোধনী কৰি বৃদ্ধি হোৱা ক্ষতিপূৰণ আৰু সুতৰ হাৰৰ পৰিমাণ ১৫.৯.১৯৯৫ তাৰিখৰ পূৰ্বে নিয়োগৰ

সময়ছোৱাত সংঘটিত হোৱা দুৰ্ঘটনাৰ ফলশ্ৰুতিত হোৱা মৃত্যু আৰু স্থায়ী অক্ষমতাৰ ক্ষেত্ৰত কৰা দাবীৰ গোচৰসমূহত প্ৰযোজ্য হ'ব নে নাই?

দেশৰ বিভিন্ন উচ্চ ন্যায়ালয়ে শ্ৰমিকৰ ক্ষতিপূৰণ আইনৰ অধীনত ক্ষতিপূৰণৰ দাবী বিবেচনা কৰাৰ সময়ত সমভাৱে এই দৃষ্টিভংগী গ্ৰহণ কৰিছে যে পক্ষসমূহৰ অধিকাৰ আৰু দায়বদ্ধতাসমূহ নিৰ্ণয়ৰ বাবে প্ৰাসংগিক তাৰিখটো হৈছে দুৰ্ঘটনাৰ তাৰিখটো।

*প্ৰতাপ নাৰায়ণ সিং দেও* বনাম *শ্ৰীনিৱাস চাবাটা আৰু অন্য,* [১৯৭৬]১ এচ.চি.চি. ২৮৯-ত এই আদালতৰ এক চাৰিজনীয়া বিচাৰপীঠে ন্যায়াধীশ সিংঘলৰ যোগেদি ৰায় প্ৰদান কৰিছে যে নিয়োগৰ সময়ছোৱাত বা নিয়োগৰ সময়ছোৱাৰ বাবে সংঘটিত দুৰ্ঘটনাৰ ফলত এগৰাকী শ্ৰমিক ব্যক্তিগতভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ লগে লগে নিয়োগকৰ্তাই ক্ষতিপূৰণ পৰিশোধৰ বাবে দায়বদ্ধ হৈ পৰে। সেয়েহে ক্ষতিপূৰণৰ হাৰ নিৰ্ণয়ৰ বাবে প্ৰাসংগিক তাৰিখটো দুৰ্ঘটনাৰ তাৰিখটোহে, দাবীৰ বিচাৰৰ তাৰিখটো নহয়।

কিন্তু ৬.১১.১৯৯৬ তাৰিখে সিদ্ধান্ত গ্ৰহণ কৰা *দ্য নিউ ইণ্ডিয়া এচ্যুৰেঞ্চ কোম্পেনী লিমিটেড* বনাম *ভি.কে. নীলকন্দন আৰু অন্যান্য ইত্যাদি* – ১৯৯৬-ৰ দেৱানী আবেদন সংখ্যা ১৬৯০৪-১৬৯০৬-ত এই আদালতৰ এখন দুজনীয়া বিচাৰপীঠে এই দৃষ্টিভংগী গ্ৰহণ কৰে যে যিহেতু শ্ৰমিকৰ ক্ষতিপূৰণ আইনখন শ্ৰমিকৰ সুবিধাৰ বাবে এখন বিশেষ আইন, সেয়েহে বিচাৰৰ তাৰিখত উপলব্ধ সুবিধা শ্ৰমিকে প্ৰাপ্ত কৰা উচিত, দুৰ্ঘটনাৰ তাৰিখত পৰিশোধ কৰিবলগীয়া ক্ষতিপূৰণ নহয়। কিন্তু *নীলকন্দনৰ* গোচৰটোত (উপৰোক্ত) দুজনীয়া বিচাৰপীঠখনে *প্ৰতাপ নাৰায়ণ সিং*

*দেওৰ* গোচৰটোত ডাঙৰ বিচাৰপীঠখনৰ ৰায়দানটো বিবেচনা নকৰিলে, কাৰণ হয়তো এয়া বিদ্বান ন্যায়াধীশদ্বয়ৰ দৃষ্টিগোচৰ কৰা হোৱা নাছিল। সি যি কি নহওঁক *প্ৰতাপ নাৰায়ণ সিং দেওৰ* গোচৰটোত ডাঙৰ বিচাৰপীঠখনে প্ৰদান কৰা স্পষ্ট বিধিৰ পৰিপ্ৰেক্ষিতত *নীলকন্দনৰ* গোচৰটোত দুজনীয়া বিচাৰপীঠখনে গ্ৰহণ কৰা দৃষ্টিভংগী সঠিক নহয়।

*য়ুনাইটেড ইণ্ডিয়া ইন্স্যুৰেঞ্চ কো. লিমিটেড* বনাম *আলাৰি,* (১৯৯৮) ১ কে.এল.টি. ৯৫১ (এফ.বি.)-ত কেৰালা উচ্চ ন্যায়ালয়ৰ এখন পূৰ্ণাঙ্গ বিচাৰপীঠৰ ৰায়দানটোৱেও আমাৰ মনোযোগ আকৰ্ষণ কৰিছে য'ত পূৰ্ণাঙ্গ বিচাৰপীঠখনে একেটা প্ৰশ্নই বিবেচনা কৰিছিল আৰু উপৰোক্ত দুয়োটা ৰায়দানেই বিশ্লেষণ কৰিছিল। এই বিচাৰপীঠে দৃষ্টিভংগী গ্ৰহণ কৰিছিল যে আঘাতপ্ৰাপ্ত শ্ৰমিকগৰাকীয়ে শ্ৰমিকৰ ক্ষতিপূৰণ আইনত বিবেচিত প্ৰকৃতিৰ ব্যক্তিগত আঘাত পোৱাৰ লগে লগেই ক্ষতিপূৰণ পোৱাৰ অধিকাৰী হয় আৰু এয়া *দুৰ্ঘটনাৰ তাৰিখত পৰিশোধ কৰিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ, ১৯৯৫-ত হোৱা সংশোধনী অনুসৰি পৰিশোধ কৰিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ নহয়,* যিটো প্ৰাসংগিক। *প্ৰতাপ সিং নাৰায়ণ সিং দেও* বনাম *শ্ৰীনিৱাস সাবাটা আৰু অন্য (উপৰোক্ত)*-ত ডাঙৰ বিচাৰপীঠখনৰ ৰায়দানৰ সৈতে সংগতি ৰাখি কেৰালা উচ্চ ন্যায়ালয়ৰ পূৰ্ণাঙ্গ বিচাৰপীঠখনে লোৱা সিদ্ধান্তত সঠিক বিধি প্ৰদান কৰা হৈছে আৰু আমি ইয়াৰ অনুমোদন জনাইছোঁ।

ৰায়দানটোৰ পূৰ্বৰ অংশত উত্থাপন কৰা প্ৰশ্নটোৰ নেতিবাচক উত্তৰ প্ৰদান কৰাৰ পৰিপ্ৰেক্ষিতত আমি এই বিশেষ অনুমতি আবেদনসমূহ বিবেচনা কৰিম।

এই বিশেষ অনুমতি আবেদনসমূহৰ প্ৰসংগত আমি বিচাৰি পাইছো যে দুৰ্ঘটনাটো বহু আগতে সংঘটিত হৈছিল। শ্ৰমিকসকলক ১৯৯৫-ৰ সংশোধনীৰ পূৰ্বৰ আইন অনুসৰি ক্ষতিপূৰণ প্ৰদানযোগ্য আছিল যিহেতু এয়া বিবাদৰ বিষয় নহয় যে দুৰ্ঘটনাসমূহ নিয়োগৰ সময়ছোৱাত সংঘটিত হৈছিল। এই গোচৰসমূহৰ বিশেষ তথ্য তথা পৰিস্থিসমূহ, প্ৰতিটো গোচৰত জড়িত থকা ৰাশিসমূহৰ ক্ষুদ্ৰতা, আৰু ইতিমধ্যে পাৰ হৈ যোৱা সময়ৰ প্ৰতি লক্ষ্য ৰাখি আমি ভাৰতৰ সংবিধানৰ ১৩৬ নং অনুচ্ছেদৰ অধীনৰ আমাৰ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰি ১৯৯৫-ৰ সংশোধনীৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰা বিতৰ্কিত আদেশসমূহত হস্তক্ষেপ কৰিবলৈ ইচ্ছুক নহয়, আৰু সেইবাবে ওপৰত উল্লেখ কৰা ধৰণে আইনৰ স্পষ্টীকৰণ দিয়াৰ পাছত এই বিশেষ অনুমতি আবেদনসমূহ খাৰিজ কৰিছোঁ।

*দেৱানী আবেদন সংখ্যা ৫৯৬২/১৯৯৭*

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদনখনে কেৰালা উচ্চ ন্যায়ালয়ৰ ২২.১০.১৯৯৬ তাৰিখৰ ৰায়দানটোৰ ওপৰত প্ৰশ্ন উত্থাপিত কৰিছে। আমি পক্ষসমূহৰ বিজ্ঞ অধিবক্তাৰ বক্তব্য শুনিলোঁ। উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা দৃষ্টিভংগী অদুষণীয় আৰু *প্ৰতাপ নাৰায়ণ সিং দেও* বনাম *শ্ৰীনিৱাস চাবাটা আৰু অন্য,* [১৯৭৬]১ এচ.চি.চি. ২৮৯-ত এই আদালতৰ ৰায়দানৰ সৈতে তথা *য়ুনাইটেড ইণ্ডিয়া ইঞ্চ্যুৰেঞ্চ কো. লিমিটেড* বনাম *আলাৱি,* (১৯৯৮) ১ কে.এল.টি. ৯৫১ (এফ.বি.)-ত কেৰালা উচ্চ ন্যায়ালয়ৰ পূৰ্ণাঙ্গ বিচাৰপীঠখনৰ ৰায়দানটোৰ সৈতেও সংগতিপূৰ্ণ। এই আপীলৰ কোনো যুক্তিযুক্ততা নাই। এয়া খাৰিজ কৰা হ'ল। ব্যয় অবিহনে।

আৰ.পি. আবেদন আপীলসমূহ খাৰিজ কৰা হ’ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)